# বিহাৰ ৰাজ্যৰ বাবে বিশেষ মৰ্য্যদা

**দিনাংক- ৩ মাৰ্চ ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

দেশৰ পূবৰ এনে বহুত ৰাজ্য আছে যি অৰ্থনীতিৰ ক্ষেত্ৰত আন ৰাজ্যতকৈ পিছ পৰি আছে । এই ৰাজ্যসমূহে প্ৰাকৃতিক অসুবিধাৰ বাবেও ভূগিব লগা হৈছে । তেওঁলোক সম্পদ নিয়োগ কৰাত অপাৰগ হৈছে । সেইবাবে ৰাজ্যই আশা কৰিছে যে তেওঁলোকে বিশেষ ৰাজ্যৰ মৰ্যদা পালে কেন্দ্ৰৰ পৰা অধিক সাহাৰ্য্য আৰু অনুদান পাব ।

বিশেষ ৰাজ্য দাবী কৰা ৰাজ্যৰ মাজত বিহাৰ এখন ৰাজ্য । পূৰ্বৰ বিহাৰ বিভাজন হৈ বিহাৰ আৰু ঝাৰখণ্ড হোৱাৰ ফলত প্ৰাকৃতিক সম্পদ ঝাৰখণ্ডৰ অংশ হৈ পৰিল । এন ডি এ চৰকাৰে বছৰ ধৰি বিহাৰ ৰাজ্যক বিশেষ ৰাজ্যৰ মৰ্য্যদা দিয়াৰ দাবী উত্থাপন কৰি আছে । বিহাৰৰ ৰাজনৈতিক দ'লৰ ওপৰতো এই বিষয়ক লৈ সৰ্বসন্মতি আছে । ২ বছৰ ধৰি কংগ্ৰেছ দ'লে জনতা দ'ল ইউনাইটেড দ'লক আশা দি ৰাখিছিল যে তেওঁলোকে বিহাৰক বিশেষ ৰাজ্যৰ মৰ্য্যদা লাভ কৰোৱাত সহায় কৰিব । ২০১৩ বৰ্ষৰ আম বাজেটত বিত্ত মন্ত্ৰীয়ে আগবঢ়োৱা ভাষণত কৈছিল যে বিহাৰক বিশেষ ৰাজ্যৰ মৰ্য্যদা দিয়াক লৈ এখন কমিটিৰ গঠন কৰা হ'ব । বিহাৰ ৰাজ্যৰ বাবে এনে প্ৰতিশ্ৰুতি ৰাজনৈতিক লাভৰ বাবে আছিল । ইউ পি এ চৰকাৰৰ মূল উদ্দেশ্য আছিল, জনতা দ'ল ইউনাটেডক আশা দি ৰখা হৈছিল যে শীঘ্ৰে বিহাৰ ৰাজ্যই বিশেষ মৰ্য্যদা লাভ কৰিব । মই বুজি পোৱা নাই জনতা দ'ল ইউনাটেডৰ নেতৃত্বই এইয়া কেনেদ'ৰে মানি ল'লে । ঠিক এনে সময়ত জনতা দ'ল ইউনাইটেড আৰু বিজেপি ৰ বন্ধুত্ব ভাঙি গৈছিল । জনতা দ'ল ইউনাইটেড অকলশৰীয়া হোৱাৰ পাছত বিশেষ মৰ্য্যদাৰ কথা উত্থাপন হোৱা নাছিল । সমকালীন সময়ত ৰাষ্ট্ৰীয় জনতা দ'ল আৰু জনতা দ'ল ইউনাইটেডৰ মাজত কংগ্ৰেছ দ'লে ৰাষ্ট্ৰীয় জনতা দ'লক পুন: সহযোগি দ'ল হিচাপে বিচাৰিলে । খবৰ কাকতৰ প্ৰতিবেদনৰ মতে ৰাষ্ট্ৰীয় জনতা দ'ল আৰু কংগ্ৰেছৰ মাজত আসনৰ বিভাজন হৈ গৈছিল । জনতা দ'ল ইউনাটেডে বিহাৰক বিশেষ মৰ্য্যদা দিয়াৰ বাবে ৰাজ্যজুৰি প্ৰতিবাদ কৰিছে । সংবাদ মাধ্যমৰ মতে জনতা দ'ল ইউনাইটেড, কংগ্ৰেছ দ'লৰ সৈতে মিলাৰ চেষ্টা কৰিছে, যিটো দ'লে বিশেষ ৰাজ্যৰ মৰ্য্যদাক লৈ আগতে জনতা দ'ল ইউনাটেডক ঠগিছে ।